সন্ত্রাসবাদ বিৰোধী আৰু সংগঠিত অপৰাধ সম্পৰ্কীয় ভাৰত-ইটালী যুটীয়া কার্যকৰী গোটৰ 6 নং বৈঠক আৰু সন্ত্রাসবাদত বিত্তীয় যোগান প্রতিৰোধ সংক্রান্তীয় ভাৰত-ইটালী স্থায়ী টাস্ক ফ'চৰ 2 নং বৈঠক

সন্ত্রাসবাদ বিৰোধী আৰু সংগঠিত অপৰাধ সম্পৰ্কীয় ভাৰত-ইটালী যুটীয়া কার্যকৰী গোট (জেডব্লিউজি) -ৰ 6 নং বৈঠক 06 অক্টোবৰ 2026 তাৰিখে নতুন দিল্লীত অনুষ্ঠিত হয়। সন্ত্রাসবাদত বিত্তীয় যোগান প্রতিৰোধ সংক্রান্তীয় ভাৰত-ইটালী স্থায়ী টাস্ক ফ'চৰ 2 নং বৈঠক 07 অক্টোবৰ 2026 তাৰিখে নতুন দিল্লীত অনুষ্ঠিত হয়। এই বৈঠকসমূহ ভাৰতৰ বৈদেশিক পৰিক্রমা মন্ত্রালয়ৰ অতিৰিক্ত সচিব (সন্ত্রাসবাদ বিৰোধী) ড° সুহেল এজাজ খান আৰু ইটালীৰ বৈদেশিক পৰিক্রমা আৰু আন্তঃৰাষ্ট্রীয় সহযোগিতা মন্ত্রালয়ৰ ৰাজনৈতিক পৰিক্রমা আৰু আন্তঃৰাষ্ট্রীয় নিৰাপত্তা সঞ্চালকালয়ৰ জি7-জি20, আন্তঃৰাষ্ট্রীয় ভাবুকি আৰু সংহত ৰণনীতি বিভাগৰ যুটীয়া সচিব শ্রী পাওলো মাৰিয়ে যুটীয়াভাৱে পৌৰোহিত্য কৰে। দুয়োখন দেশৰ সন্ত্রাসবাদ বিৰোধী সংস্থাসমূহে এই বৈঠকসমূহত অংশগ্রহণ কৰে।

2. সীমান্তপাৰৰ সন্ত্রাসবাদকে ধৰি সকলো ধৰণৰ আৰু সকলো ৰূপৰ সন্ত্রাসবাদক গৰিহণা দি দুয়োপক্ষই 22 এপ্রিল 2025 তাৰিখে জম্মু আৰু কাশ্মীৰৰ পহলগামত সংঘটিত জঘন্য সন্ত্রাসবাদী আক্রমণক পুনৰ তীব্র ভাষাৰে নিন্দা কৰে।

3. দুয়োটা দিনতে উভয় পক্ষই ড্রাগছ সৰবৰাহকে ধৰি সন্ত্রাসবাদ বিৰোধী আৰু সংগঠিত অপৰাধৰ বহুল পৰিসৰৰ সহযোগিতাৰ ক্ষেত্রসমূহ আৰু নতুনকৈ আত্মপ্রকাশ কৰা আঞ্চলিক তথা বিশ্বজনীন সন্ত্রাসবাদী ভাবুকিৰ বিষয়ে ব্যাপক আলোচনা কৰে। সন্ত্রাসবাদী উদ্দেশ্যত তথ্য, যোগাযোগ আৰু বিত্তীয় প্রযুক্তিকে ধৰি নতুন আৰু আত্মপ্রকাশ কৰা প্রযুক্তিসমূহৰ অপব্যৱহাৰ ফলপ্রসূভাৱে মোকাবিলা কৰাৰ বাবে সহযোগিতা শক্তিশালী কৰাৰ প্রয়োজনীয়তা পুনৰ প্রকাশ কৰি, দুয়োটা পক্ষই উদীয়মান আৰু অ-পৰম্পৰাগত ভাবুকিসমূহ প্রতিহত কৰিবলৈ ক্ষমতা বিকাশ আৰু তথ্যৰ আদান-প্রদান শক্তিশালী কৰাৰ উপায়েৰে আলোচনা কৰে।

4. স্থায়ী টাস্ক ফ'চৰ এই বৈঠকত 2025 চনৰ নৱেম্বৰত জোহান্সবার্গত অনুষ্ঠিত জি20 শীর্ষ সন্মিলনৰ ফালৰ পৰা দুয়োখন দেশৰ প্রধানমন্ত্রীসকলে মুকলি কৰা সন্ত্রাসবাদত বিত্তীয় যোগান প্রতিৰোধ সংক্রান্তীয় ভাৰত-ইটালী যুটীয়া পদক্ষেপৰ অধীনত সন্ত্রাসবাদত বিত্তীয় যোগান প্রতিহত কৰাৰ ক্ষেত্রত সহযোগিতা শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰা হয়। উভয় পক্ষই ৰাষ্ট্রসংঘ, জিচিটিএফ আৰু এফএটিএফকে ধৰি বহুপাক্ষিক ক্ষেত্রত সন্ত্রাসবাদ বিৰোধী সহযোগিতা বৃদ্ধি কৰাৰ বিষয়েও আলোচনা কৰে।

5. দুয়োপক্ষই উমৈহতীয়া সুবিধাজনক তাৰিখত ইটালীৰ ৰোমত যুটীয়া কার্যকৰী গোট আৰু স্থায়ী টাস্ক ফ'চৰ পৰৱর্তী বৈঠক অনুষ্ঠিত কৰিবলৈ সন্মত হয়।

নতুন দিল্লী

অক্টোবৰ 07, 2026